# অসম বিধান সভা

তৰাবিহীন প্ৰশ্ন নং - ৩৫

উত্তৰ দিয়াৰ তাৰিখঃ ০৬/০৭/২০২৬

**শ্ৰীমজিবুৰ ৰহমানঃ**

বিষয়ঃ **অসম হোম গাৰ্ড সম্পৰ্কে (Assam Home Guard)**।

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম আৰক্ষীৰ অধীনত যোৱা ইং ৩১-০৫-২০২৬ তাৰিখলৈকে কিমানজনে অসম হোম গাৰ্ড (Assam Home Guard) পদত নিয়োজিত হৈ আছে? (তালিকা সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) অসম হোম গাৰ্ড পদত নিয়োজিত হৈ থকা অসম আৰক্ষী গাৰ্ডসকলক স্থায়ীভাৱে ৰেগুলাৰ (Permanent Regular) পদত নিযুক্তি দিবৰ বাবে অসম চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি? সদনৰ মজিয়াত দাখিল কৰিব।

(গ) অসম আৰক্ষীৰ অধীনত নিয়োজিত হৈ থকা অসম হোম গাৰ্ডসকলক বছৰৰ ছয় মাহ চাকৰিত মকৰল কৰা হয় আৰু সেই ছয় মাহৰ হে দৰমহা/মাননী প্ৰদান কৰা হয়। বাকী ছয় মাহৰ মাননী তেওঁলোকক কিয় দিয়া নহয়? দৰমহা নোহোৱাকৈ গাৰ্ডসকলৰ পৰিয়ালৰ ভৰণ-পোষণ আৰু ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ দায়িত্ব চৰকাৰে লয়নে? অসম হোম গাৰ্ডসকলৰ বছৰৰ বাৰ মাহৰ মাননী দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিবৰ বাবে কিবা পদক্ষেপ গ্ৰহণ কৰিব নেকি? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব।)

উত্তৰঃ

মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ

(ক) অসম আৰক্ষীৰ অধীনত যোৱা ইংৰাজী ৩১/০৫/২০২৬ তাৰিখলৈকে মুঠ **১০,৫৫০ (দহ হাজাৰ পাঁচশ পঞ্চাশ)** জন অসম হোম গাৰ্ড (গৃহৰক্ষী স্বেচ্ছাসেৱক) কৰ্তব্যত নিয়োজিত হৈ আছে। তালিকা **পৰিশিষ্ট–'ক'**-ত সন্নিবিষ্ট কৰি সদনৰ মজিয়াত দাখিল কৰা হ'ল।

(খ) সঞ্চালক প্ৰধান, অগ্নিনিৰ্বাপক বাহিনী আৰু গৃহৰক্ষী, গৃহ পৰিক্ৰমা মন্ত্ৰালয়, ভাৰত চৰকাৰৰ "Home Guard Compendium of Instruction" আৰু "অসম গৃহৰক্ষী আইন, ১৯৪৭ সংশোধিত ২০১৫" মৰ্মে গৃহৰক্ষী সকল সম্পূৰ্ণভাৱে স্বেচ্ছাসেৱক। তদুপৰি "গৃহৰক্ষী বাহিনী, অসম" ৰ ধাৰণা আৰু চৰিত্ৰ অনুযায়ী ই এটা স্বেচ্ছাসেৱী সংগঠন আৰু সেয়েহে গৃহৰক্ষী সকলৰ স্থায়ী নিযুক্তি অথবা নিয়মীয়াকৰণৰ কোনো ব্যৱস্থা নাই।

Contd...p/2

(গ) “অসম গৃহৰক্ষী আইন আৰু বিধি, ১৯৪৭” শাখা ৭.২ (সংশোধিত-২০১৫)-ৰ বিধান অনুসৰি গৃহৰক্ষী স্বেচ্ছাসেৱকসকলক একেলগে সৰ্বাধিক ৬ (ছয়) মাহৰ বাবে কৰ্তব্যত মোতায়েন কৰা হয়। সেই অনুসৰি, কেৱল কৰ্তব্যত মোতায়েন হৈ থকা সময়ছোৱাৰ বাবেহে তেওঁলোকক নিৰ্ধাৰিত মাননী প্ৰদান কৰা হয় । প্ৰত্যেক ৬ (ছয়) মাহৰ কাৰ্য্যকাল সম্পূৰ্ণ হোৱাৰ পাছত গৃহৰক্ষী স্বেচ্ছাসেৱকসকলক কৰ্তব্যৰ পৰা কৰ্মবিৰতি দিয়া হয়। “অসম গৃহৰক্ষী আইন আৰু বিধি, ১৯৪৭” মৰ্মে গৃহৰক্ষী সমূহৰ কৰ্মবিৰতিৰ সময়ছোৱাৰ বাবে মাননী প্ৰদান কৰাৰ কোনো ব্যৱস্থা নাই ।

বি.দ্ৰঃ উত্তৰৰ প্ৰতিলিপি **NeVA Portal** ত **upload** কৰা হৈছে।

##########

পৰিশিষ্ট-'ক'

| Homeguards deployment | | |
|---|---|---|
| **Sl. No.** | **District** | **Grand Total** |
| 1 | Sonitpur | 288 |
| 2 | Biswanath | 242 |
| 3 | Jorhat | 304 |
| 4 | Majuli | 162 |
| 5 | Goalpara | 310 |
| 6 | Darrang | 329 |
| 7 | Tinsukia | 229 |
| 8 | Sadiya | 146 |
| 9 | Dibrugarh | 425 |
| 10 | Kokrajhar | 530 |
| 11 | Dhemaji | 260 |
| 12 | Chirang | 215 |
| 13 | Sivasagar | 272 |
| 14 | Charaideo | 120 |
| 15 | Baksa | 229 |
| 16 | Dhubri | 140 |
| 17 | S. Salmara | 155 |
| 18 | Police Commissionerate | 1480 |
| 19 | Udalguri | 100 |
| 20 | Lakhimpur | 275 |
| 21 | Golaghat | 270 |
| 22 | Dima Hasao | 350 |
| 23 | Cachar | 260 |
| 24 | Sribhumi | 155 |
| 25 | SRP Pandu | 530 |
| 26 | SB orgn | 50 |
| 27 | Nalbari | 316 |
| 28 | Morigaon | 366 |
| 29 | Hailakandi | 154 |
| 30 | Kamrup | 399 |
| 31 | Bongaigaon | 221 |
| 32 | Nagaon | 275 |
| 33 | Hojai | 178 |
| 34 | Barpeta | 360 |
| 35 | Karbi-Anglong | 315 |
| 36 | Bajali | 90 |
| 37 | Hamren | 50 |
| | **Total** | **10550** |